সাধাৰণতে পাণকটা, টেঙেচী লতা, গলপতা আদি প্ৰতীকলেখ কাষৰিৰ কাৰণে সাৰ্বজনীন।

অধ্যয়নৰ বিষয়বস্তু হিচাপে ডিজাইন বা ৰূপাংকনক পাঁচটা বিশাল পৰিসৰত ৰাখিব পাৰি, যথা—প্ৰাকৃতিক (Naturalistic), শৈলীকৃত বা আড়ম্বৰী (Stylized), জ্যামিতিক (Geometric), বিমূৰ্ত (Abstract) আৰু গঠনগত বা কাঠামোগত (Structural)।

প্ৰকৃতিৰ পৰা পোনপটীয়াকৈ দৃষ্টিৰে তুলি আনি সূতাৰে অংকিত কৰা ফুল, পাত, গছ, জীৱ-জন্তু, নদীৰ ঢৌ, পৰিদৃশ্য একোটাক প্ৰাকৃতিক ডিজাইন বোলে। প্ৰকৃতিৰ খাঁটি ৰূপক দৃশ্যমান কৰিবলৈ ইয়াত ম'টিফসমূহ বাস্তৱধৰ্মী কৰি ৰখা হয়। আনহাতে আড়ম্বৰী ডিজাইনত ম'টিফসমূহে পোনপটীয়াকৈ প্ৰাকৃতিক অৱয়ব এপদৰ ভাবমূৰ্তি বজাই নাৰাখে। সাধাৰণতে ৰেখাৰ প্ৰচলিত ৰীতি অনুযায়ী অথবা সৰলীকৰণৰ দ্বাৰা অংকিত কৰা হয়, যদিও বহু সময়ত ইয়াত ৰেখাৰ বিকৃত তিৰ্যক ৰূপো বাছি লয়।

জ্যামিতিক ডিজাইনসমূহ পোনপটীয়াকৈ বৃত্ত, চতুৰ্ভুজাকৃতি, ত্ৰিভুজ, আয়ত, হীৰাখণ্ডাকৃতি (পঞ্চভুজ, ষড়ভুজ আদি) আদি লোৱা হয়। এই ৰূপসমূহৰ অনন্ত ৰূপান্তৰ আৰু সমাহাৰ লক্ষ্যণীয়। তদুপৰি বহুতো জ্যামিতিক ডিজাইন প্ৰকৃতিজাত যদিও প্ৰকৃতিৰ যি অৱয়বৰ পৰা তাক লোৱা হৈছে তাৰ লগত পটককৈ ৰিজাব নোৱাৰি; সাজোনবোৰৰ ক্ষেত্ৰত প্ৰতীকৰ কথা আহি পৰে। প্ৰতীকৰ ব্যৱহাৰেৰে মানুহৰ ধাৰণা, ভাবনা নাইবা আশাবোৰ ফুটাই তুলিব খোজাটোকে ক'ব পাৰোঁ—প্ৰতীকাত্মক। বিমূৰ্ত ডিজাইনসমূহৰ সৰহভাগেই জ্যামিতিক ৰূপতেই আধাৰিত যদিও বিমূৰ্ততাই প্ৰতীতিবাদ (impressionalism) তত্ত্বক অন্তৰ্নিহিত কৰি ৰাখে তথা প্ৰত্যক্ষ জ্যামিতিক ম'টিফবোৰতকৈ তুলনামূলকভাৱে মুক্ত প্ৰকাশ ঘটে। গঠনগত ডিজাইন সেইবোৰেই যিকোনো এবিধ বস্তুৰ (object) গঠনৰ গঢ় দিয়ে। সৰলতা বা অমিশ্ৰতা হ'ল ইয়াৰ মূল বৈশিষ্ট্য। অসমীয়া গামোচাৰ পৰম্পৰাগত ডিজাইনবোৰত প্ৰাকৃতিক অৱয়ব চিত্ৰিত কৰাৰ লগতে তাত একেলগে কিছুমান শৈলীৰো (style) সংযোজন ঘটোৱা পৰিলক্ষিত হয়।

পৰম্পৰাগত অসমীয়া গামোচাৰ নান্দনিকতা বাছ-বিচাৰ কৰি, লিৰিকি-বিদাৰি, চাক্ষুষ দৰ্শনেৰে ডিজাইনবোৰক চাৰিটা প্ৰকাৰত ৰাখিব পাৰোঁ, যথা—ফুল আৰু গছ-লতিকা ম'টিফ, পশু-পক্ষীজাত ম'টিফ, কাঠামোগত বা গঠনগত ম'টিফ আৰু জ্যামিতিক ম'টিফ। পাৰিপাৰ্শ্বিকতাৰ বিচিত্ৰ ৰূপবোৰ ইয়াৰ মাজত জলজল-পটপট হৈ উঠে। অকল সেই ম'টিফবোৰ আহৰণ কৰিলেই গামোচাখনৰ নান্দনিক মূল্য বুজা নাযাব, বৰং সেইবোৰৰ মাজেদি অসমীয়া শিপিনীয়ে কলাত্মক ৰূপেৰে প্ৰতিবিম্বিত কৰা অন্তৰ্নিহিত ভাবখিনি বা অনুষংগ (contex), যেনে—কি বুজাব খুজিছে, কি কাৰকে সহায় কৰিছে আদিও মন কৰিবলগীয়া।

**ফুল আৰু উদ্ভিদ সম্পৰ্কীয় ম'টিফ ঃ** গামোচাত স্পষ্ট আৰু সুসংহত পাহিৰ সৰল আৰু সৰু ফুলৰ বিন্যাস মন কৰিবলগীয়া।



*ঔ-ফুল ম'টিফ, লগতে নয়নতৰা*

এটা বৃত্তাকৃতি বা ফুটৰ চৌপাশে বিচ্ছুৰিত চুটি চুটি ৰেখাযুক্ত ফুলৰ প্ৰতীকলেখটোৱেই আটাইতকৈ সৰল ফুলৰ চানেকি, ই বকুল ফুলৰ সাদৃশ্য। নামনি অসমত ইয়াক থকনিয়া বোলে। অসমীয়া মানুহৰ চোতালে-বাৰীয়ে ফুলা চম্পা, গুটিমালি, নাহৰ, অপৰাজিতা আদিৰ ৰূপাংগ গামোচাত ব্যৱহৃত ফুল। ইয়াক লোকগীত আৰু বিহুনামবোৰেও নিৰ্দেশ কৰে। ঔ-ফুল, ঔ-চকল, কৰ্দৈ চকলা আদি ডিজাইনহে অসমীয়া গামোচাত বিশেষ স্থান দখল কৰিছে। কোৱা হয় যে মাকে জীয়েকক প্ৰাথমিক পৰ্যায়ত কৰ্দৈ চকলা ডিজাইনহে গামোচাত বাছিবলৈ দিয়ে। বহুতে এই ম'টিফক তৰাফুল বা তাৰাবোল বুলিও কয়।



*ডালিম লতা*

ডাঙৰ আৰু সপ্ৰতিভ ফুলবোৰ আড়ম্বৰী আৰু জ্যামিতিক। এনেধৰণৰ ডাঙৰ ফুল মেখেলাত বুটা হিচাপে ব্যৱহাৰ হয় কিন্তু গামোচাত মূল ফুল হয়। মেখেলাৰ ফুল আৰু গামোচাৰ ফুল একে নহয়, গামোচাত একক ফুল নাথাকে, ই পুনৰাবৃত্তি হৈ ডিজাইনৰ সৃষ্টি কৰে, কিন্তু মেখেলাত নকৰিবও পাৰে। বড়োসকলৰ সাংস্কৃতিক সম্পদ গলাবান বা আৰনাইখনত থকা ফুলটোও এনেকুৱা এটা ডাঙৰ ফুল। এনেকুৱা বহুতো অনামী ফুলো পোৱা যায়। এই ডাঙৰ ফুলবোৰক সফলতাৰ প্ৰতীকৰূপে মান্যতা দিয়া হৈছিল। পদুম, গোলাপ, ধঁতুৰা ফুলো একোটাকৈ বহুল ব্যৱহৃত স্থূলাকৃতিৰ ফুল; ইয়াক পৰম্পৰাগত মেখেলাত ব্যৱহাৰ কৰাৰ পৰা শিপিনী বিৰত আছিল, কাৰণ এনে ফুলৰ ধৰ্মীয় গুৰুত্ব অধিক, সেয়ে তেনেকুৱা বস্ত্ৰতহে এইকেইবিধ ফুল তুলিছিল। এনে ডাঙৰ ডাঙৰ ফুলৰ চানেকিৰ কাৰণেই ভমকাফুলীয়া গামোচাৰ আমাৰ সমাজত বৰ আদৰ।

গছৰ প্ৰতীকলেখসমূহ পোন, কিন্তু ইয়াত বিভিন্ন পাত যুক্ত কৰা ৰেখাবোৰ বক্ৰ। গছৰ চানেকিসমূহ একেবাৰে সৰল বিন্যাসৰ পৰা জটিল আঁকোৰা-পকোৰা বিন্যাসলৈকে পোৱা যায়। 'লতা' ডিজাইনত কৰা গামোচাৰ সংখ্যা অধিক, তদুপৰি ইয়াক বহুলভাৱে ডাঙৰ ফুলৰ মাজত খালী ঠাই পূৰণত ব্যৱহাৰ কৰা হয়। কাষৰিও লতাৰূপ। পৰম্পৰাগত সৰল লতা ম'টিফসমূহক কাঠীৰ হিচাপ অনুযায়ীও নামকৰণ কৰা হয়—ছটা কাঠীৰ লতা, নটা কাঠীৰ লতা, এঘাৰ কাঠীৰ লতা আদি অসমীয়া শিপিনীৰ মুখত ফুটা সহজাত শব্দ।

বাবৰি লতা, গোলাপ লতা, পদুম লতা, পাৰিজাত লতা বা পাৰিজাত মালা, গুলঞ্চ লতা, শংখ-চক্ৰ লতা ফুলৰো সংযোজন হয়। তদুপৰি কেইবাটাও অজানা ফুলযুক্ত লতা ম'টিফ গামোচাত দেখা যায়। ফুল বাদেও ফলযুক্ত লতা ম'টিফ হ'ল—আঙুৰ লতা, ডালিম লতা, কেৰেলা লতা আদি। শিল্পকলা আৰু তাৰ সৈতে জড়িত মিথসমূহ তথা গোষ্ঠীকল্পনা বা বিশ্বাসত এই লতা ম'টিফে 'ৰমণীয় নাৰী'ৰ প্ৰতীকক প্ৰতিনিধিত্ব কৰে। আমাৰ ধাৰণা মতে, সেয়েহে এই লতা ডিজাইনক ঘাইফুলৰ মাজৰ ঋণাত্মক অংশ বা খালী ঠাই পূৰণত ব্যৱহাৰ কৰা হয়। টেঁকীয়া, টেঙেচী আদিৰ পাতবোৰৰ গঠনৰূপে সকলোৰে দৃষ্টি আকৰ্ষণ